

সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

সপ্তম শ্রেণীৰ পাঠ্যপুথি

সমাজ বিজ্ঞান

(দ্বিতীয় ভাগ)

ভূগোল

পাঠ - ৭

অসমৰ সম্পদ

অংশ – ১

জ্যোতি দাস

শিকনৰ ফলাফল

- অসমৰ বিভিন্ন প্ৰকাৰৰ সম্পদ আৰু সেইবোৰৰ বিতৰণ সম্পৰ্কে জানিব পাৰিব।
- অসমৰ বনজ সম্পদৰ বিষয়ে জানিম ।


समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

- মানুহ প্ৰকৃতিৰ ওপৰত নিৰ্ভৰশীল।
- প্ৰকৃতিৰ বিভিন্ন উপাদান তথা সম্পদ আহৰণ কৰি মানুহে ব্যক্তিগত আৰু সামুহিক উন্নয়নৰ কামত ব্যৱহাৰ কৰি আহিছে।
- প্ৰাকৃতিক সম্পদৰ বিতৰণ সকলো ঠাইতে একে নহয়। যথেষ্ট প্ৰাকৃতিক সম্পদ থকা অঞ্চল বা দেশসমূহৰ উন্নয়ন সহজসাধ্য হয়।

কিন্তু, এনে সম্পদৰ সঠিক ব্যৱহাৰ নির্ভৰ কৰে —


- মানৱ সম্পদৰ দক্ষতা
- পৰিবহণ ব্যৱস্থা
- বজাৰ
- অন্যান্য প্রাথমিক সুবিধা



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

- অসম প্ৰাকৃতিক সম্পদেৰে চহকী।
- অসম চহকী কৰিছে এইবোৰে -
  - উৰ্বৰ ভূমিৰ
  - বৈচিত্ৰময় গছ-গছনি
  - জলভাগ
  - জীৱ-জন্তু
  - ভূ-গৰ্ভৰ খনিজ পদাৰ্থ



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

বনজ সম্পদ (Forest resource)

- চৰকাৰী তথ্য অনুসৰি অসমৰ মুঠ মাটিকালিৰ প্ৰায় 20.6 শতাংশ ঠাই অৰণ্যই আগুৰি আছে।
- বৃষ্টিপাত, বায়ুৰ উষ্ণতা আৰু মাটিৰ গুণাগুণৰ ওপৰত ভিত্তি কৰি অসমৰ বিভিন্ন অঞ্চলত বিভিন্ন উদ্ভিদ পোৱা যায়।

- উজনি অসমৰ শিৱসাগৰ, ডিব্রুগড়, যোৰহাট আদিৰ উপৰি ডিমা হাচাও আৰু কাছাৰ জিলা আদি ঠাইত বৰষুণৰ মাত্রা অধিক।
- এইবোৰ অঞ্চলত বছৰি গড়ে 200 ছেন্টিমিটাৰৰ অধিক বৰষুণ হয় আৰু গড় উষ্ণতা 25° ছেন্টিগ্রেড পোৱা যায়।
- ইয়াৰ উদ্ভিদবোৰৰ বেছি ভাগেই গোটেই বছৰজুৰি পাতেৰে সেউজীয়া হৈ থাকে।

- এনে চিৰসেউজীয়া উদ্ভিদ এই অঞ্চলত পোৱা যায়।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation



- এই অঞ্চলত পোৱা কিছুমান ওখ চিৰসেউজ গছ—
  - হোলং
  - হলক
  - মাকাই
  - নাহৰ
  - উৰিয়াম
  - তিতাছপা আদি।

- লখিমপুৰ, ধেমাজি আৰু শোণিতপুৰ জিলাৰ উত্তৰৰ সীমামূৰীয়া অঞ্চলতো এই শ্ৰেণীৰ উদ্ভিদ পোৱা যায়।
- বিবিধ প্ৰকাৰৰ কপৌ আৰু বেতগছ অঞ্চলটিৰ উল্লেখযোগ্য উদ্ভিদ।
- বছৰি প্ৰায় 100 ৰপৰা 200 ছেন্টিমিটাৰৰ ভিতৰত বৰষুণ হোৱা অঞ্চলসমূহত বসন্তকালত বতৰ শুকান হৈ গছৰ পাত সৰি যায়।

- এইবোৰক পৰ্ণপাতী উদ্ভিদ বোলে ।
- এনে মৌচুমীয় পৰ্ণপাতী উদ্ভিদ কামৰূপ, গোৱালপাৰা আৰু কোকৰাঝাৰ জিলাৰ উপৰি অসমৰ প্ৰায় সকলো অঞ্চলতে সিঁচৰতি হৈ আছে।





পর্ণপাতী গছ-গছনিৰ উদাহৰণ —


- শাল
- চেগুন
- গমাৰী
- শিমলু
- আমলখি
- কঠাল গছ আদি।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

- অসমৰ প্ৰধান নৈ-উপনৈসমূহৰ দুয়োপাৰে খয়ৰ, শিশু, শিমলু, কদম, কৰৈ আদি ডাঙৰ গছৰ লগতে চাপৰ তৃণজাতীয় উদ্ভিদ পোৱা যায়।
- আনহাতে, নদীৰ পাৰৰ জলাশয় আৰু নিম্ন হিমালয় অঞ্চলৰ কিছু ঠাইত ঘাঁহৰ বিভিন্ন ধৰণৰ গছ-গছনি দেখা যায়। (বেত, খেৰ আদি)

- এনে ধৰণৰ গছ-গছনি প্ৰচুৰ পৰিমাণে পোৱা যায় —
  - ব্ৰহ্মপুত্ৰ নদীৰ পাৰত কাজিৰঙা, লাওখোৱা, ওৰাং আৰু মাজুলী
  - হিমালয়ৰ পাদদেশৰ মানস আৰু নামেৰীৰ বনাঞ্চল।




समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

অসমত পোৱা বিভিন্ন প্ৰজাতিৰ গছসমূহ



হোলং



কদম



চেগুণ

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

- উদ্ভিদৰ দৰে অসমতো বহু প্ৰজাতিৰ বন্যপ্ৰাণী পোৱা যায়।



গঁড়	- হাতী
বাঘ	বনৰীয়া ম'হ
ভালুক	হৰিণ
গাহৰি	বিভিন্ন প্ৰজাতিৰ বান্দৰ

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

- কিন্তু, এতিয়া ইহঁতৰ বাসস্থান কেৱল সংৰক্ষিত বনাঞ্চল, অভয়াৰণ্য আৰু ৰাষ্ট্ৰীয় উদ্যানৰ মাজতে সীমাবদ্ধ হৈ আছে।
- হলক, গিবন, নলগাহৰী , সোণালী বান্দৰ দেওহাঁহ আদি প্ৰাণীবোৰ অসমৰ বিৰল প্ৰজাতি।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

- অসমৰ ৰাষ্ট্ৰীয় উদ্যান, বন্যপ্ৰাণী অভয়াৰণ্য আৰু পক্ষী অভয়াৰণ্যত জীৱ-জন্তু নিৰাপদ আৰু সুৰক্ষিত।




- তদুপৰি জীৱ-জন্তুবোৰে প্ৰজননৰ বাবে অনুকূল পৰিৱেশ পায়।
- নামেৰী আৰু মানসত বাঘৰ সুৰক্ষাৰ বাবে ২টা বাঘ প্ৰকল্প আছে। ভাৰতৰ ভিতৰত অসম একমাত্ৰ ৰাজ্য য'ত সৰ্বাধিক প্ৰজাতিৰ চৰাই পোৱা যায়।
- ইয়াৰ উপৰিও বৃহৎ সংখ্যক পৰিভ্ৰমী চৰাই অসমৰ জলাশয় আৰু অন্যান্য নিম্নভূমি অঞ্চললৈও আহে।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

- সামগ্রিকভাৱে অসমৰ উদ্ভিদ আৰু বন্যপ্রাণীসমূহে প্রাকৃতিক ভাৰসাম্য বজাই ৰখাৰ উপৰি সৌন্দর্যবর্ধন কৰি আহিছে।



মূল্যায়ন




1 | পৰ্ণপাতী উদ্ভিদ থকা অঞ্চলত কিমান ছে মি বৰষুণ হয় ।

ক 200 ছে মি অধিক

খ 100 ৰ পৰা 200 ছে মি ভিতৰত

মূল্যায়ন





2| চেগুন এবিধ পর্ণপাতী উদ্ভিদ।

মূল্যায়ন



3 অসমত কেইটা ব্যঘ্ৰ প্ৰকল্প আছে ।

ক দুটা ✓

খ তিনিটা

মানহ আৰু নামেৰী